بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## আঁহজৰত (ছাঃ)ৰ জীৱন চৰিতত উল্লেখিত উফকৰ ঘটনা সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩০ আগষ্ট ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে জাৰ্মানিৰ জলছাৰ আগৰ জুমাৰ খোতবাত আঁহজৰত (ছাঃ)ৰ জীৱন চৰিত সম্পৰ্কে বৰ্ণনা কৰা হৈছিল। সেই বৰ্ণনাত হজৰত আয়শা (ৰাঃ)ৰ উফকৰ ঘটনা সম্পৰ্কে উল্লেখ কৰা হয়। এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লাই নিজৰ গুণাৱলীৰ তালিকাত অন্তৰ্ভুক্ত ৰাখিছে যে শাস্তিৰ ভৱিষ্যদ্বাণী, তৌবা, ইস্তেগফাৰ, দোৱা আৰু ছাদকাৰ জৰিয়তে বাতিল কৰি দিয়ে। সেয়ে আল্লাহ তা'লা মানুহকও এই নৈতিকতা শিকাইছে যে যেনেকৈ কোৰআন হাদীছৰ দ্বাৰা প্ৰমাণিত যে হজৰত আয়শা (ৰাঃ)ৰ বিষয়ে মুনাফিক সকলে বদ চৰিত্ৰৰ যি অপবাদ ৰটনা কৰিছিল, সেই কাৰ্যত কিছুমান সহজ সৰল চাহাবাও সংযুক্ত হৈ পৰিছিল। তাৰে এজন চাহাবা যিজনক হজৰত আবু বক্কৰ (ৰাঃ)য়ে দুসাজ ৰুটি খুৱাইছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাৰ এই ভুলৰ বাবে শপত লৈছিল যে সেই চাহাবা জনক আৰু কেতিয়াও খাবলৈ ৰুটি নিদিব। এয়াই তাৰ শাস্তি হয়। তেতিয়া এই আয়াত নাযিল হৈছিল **ওৱালইয়াগফু ওৱালইয়াচফাহু আলা তুহিববুনা আয় ইয়াগফিৰাল্লাহু লাকুম, ওৱাল্লাহু গাফুৰুৰ ৰাহিম**। এই আয়াত শুনাৰ লগে লগে হজৰ আবু বক্কৰ (ৰাঃ)য়ে নিজৰ শপত উঠাই লৈ মানুহজনক নিয়মিত ৰুটি দিয়া কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই ঘটনাৰ আধাৰত ইছলামী নীতিৰ মাজত অন্তৰ্ভুক্ত হৈছে যে যদি শাস্তিৰ উদ্দেশ্যে কোনোবাই শপত লয় তেন্তে সেয়া ভঙ্গ কৰাটো সুন্দৰ নৈতিকতাৰ ভিতৰত পৰে। উদাহৰণ স্বৰূপে যদি কোনোবাই নিজৰ খিদমত কৰোঁতা জনৰ বিৰুদ্ধে কছম খায় যে তেওঁ তাক পঞ্চাচটা কোব জুতাৰে মাৰিব তেতিয়া শাস্তি পাব লগা লোক জনে তৌবা, ইস্তেগফাৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰিলে তাক ৰেহাই দিয়াটো ছুন্নতে ইছলাম, এয়া আখলাকুল্লাহ হৈ যায়। কিন্তু স্পষ্ট যে আখলাক জায়েজ নহয়। কছম এৰি দিয়াটো কল্যাণ

কিন্তু শাস্তিত কল্যাণ নহয়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবিঈন পুস্তকত উফকৰ ঘটনাটো বুখাৰী চৰিফৰ ৰিৱায়ত অনুযায়ী বৰ্ণনা কৰিছে যে বুখাৰী শ্বৰীফৰ বৰ্ণনা সকলো ৰিৱায়তকৈ যুক্তি সমৃদ্ধ আৰু স্পষ্ট। এই ৰিৱায়তৰ দ্বাৰা আঁহজৰত (ছাঃ)ৰ পাৰিবাৰিক জীৱনৰ ওপৰত এনেকুৱা লক্ষণীয় ৰশ্মি পৰে যে ইয়াক কোনো ইতিহাসবিদেই উপেক্ষা কৰিব নোৱাৰে আৰু শুদ্ধতাৰ ফালেৰেও এই ৰিৱায়ত শীৰ্ষতম পৰ্যায়ৰ, য'ত সন্দেহৰ কোনো স্থল নাই। এতিয়া চিন্তা কৰিবলগীয়া বিষয়টো হ'ল এয়া যে এই ঘটনাটোৱে কিমান ডাঙৰ বিবাদ সৃষ্টি কৰিছিল,যিবিলাক মুনাফিক সকলেই দ্বাৰ কৰাইছিল।

ইয়াতে কেৱল এজনী পৱিত্ৰ চৰিত্ৰৰ, মোমিনা আৰু পৰহেজগাৰী মহিলাৰ চৰিত্ৰৰ ওপৰত আক্ৰমণ কৰাই উদ্দেশ্য নাছিল বৰং পৱিত্ৰ বাণীয়ে ইছলাম আঁহজৰত (ছাঃ)ৰ সন্মান বিনষ্ট কৰা আৰু ইছলামী সমাজৰ ওপৰত এক ভূমিকম্পৰ সৃষ্টি কৰাৰও পৰিকল্পনা কৰিছিল। মুনাফিক সকলে এই লেতেৰা আৰু দুষ্ট প্ৰপেগাণ্ডাটো ইমানেই চৰ্চাত উঠাইছিল যে কিছুমান সহজ সৰল লোকেও এই চক্ৰবেহুৰ মাজত সোমাই পৰিছিল আৰু ঠগ প্ৰৱঞ্চনাৰ বলি হৈছিল। এই ধৰণৰ লোকৰ মাজত হাছান বিন ছাবিত (ৰাঃ), হামনা বিনতে জাহাশ (ৰাঃ) আৰু মুছতাহা বিন আছাছা (ৰাঃ)ৰ নাম উল্লেখ আছে। কিন্তু হজৰত আয়শা (ৰাঃ)ৰ এনেকুৱা উত্তম আদৰ্শ আছিল যে তেওঁলোক সকলোকে ক্ষমা কৰি দিছিল আৰু তেওঁলোককলৈ কোনো ধৰণৰ দুখ মনত বান্ধি ৰখা নাছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে উক্ত দোষ জাপি দিয়া সকলৰ উদ্দেশ্য বৰ্ণনা কৰোঁতে কৈছে যে আমি ইয়াৰ আচল পৰিকল্পনাটো গমি চাব লাগিব। ইয়াৰ কাৰণ এয়া নাছিল যে হজৰত আয়শা (ৰাঃ)ৰ লগত তেওঁলোকৰ কোনো শত্ৰুতা আছিল। এই দোষ জাপি দিয়াৰ দুটা উদ্দেশ্য থাকিব পাৰে। হয়তো হ'ব লাগিব এই দোষাৰোপৰ মূল কথা সত্য, যাক কোনো মোমিনেই বিশ্বাস কৰিব নোৱাৰে, বিশেষকৈ এই কাৰণেই যে আল্লাহ তা'লা আৰচত এই কল্পিত ধাৰণা বাতিল সাব্যস্ত কৰিছে। দ্বিতীয়তে এয়া হ'ব পাৰে যে এই অপবাদ আঁহজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ ক্ষতি সাধন কৰিবলৈ প্ৰচাৰ কৰিছিল। কাৰণ হজৰত আয়শা (ৰাঃ)ইয়াৰে এজনৰ জীয়েক, আন এজনৰ পত্নী আছিল। এই দুয়োজন ব্যক্তিয়েই এনেকুৱা আছিল যে এওঁলোকৰ বদনামীয়ে ৰাজনৈতিক ভাৱে কিছুমানৰ লাভ হ'ব লগা আছিল। যিয়েই নহওঁক ৰছুলে পাক (ছাঃ)ৰ যি মৰ্যাদা আছিল সেয়া কোনো অপবাদেৰে কাঢ়ি লোৱা বস্তু নাছিল, তেওঁলোকে ভয় কৰিছিল যে ৰছুলে কৰিম (ছাঃ)ৰ পিছত তেওঁলোকে নিজৰ উদ্দেশ্য পূৰ্ণ কৰিব পাৰিব নে নোৱাৰে। তেওঁলোকে দেখিছিল যে আঁহজৰত (ছাঃ)ৰ পিছত খলিফা হ'বলৈ যদি কোনো আছে তেন্তে সেইজন হ'ল আবু বক্কৰ (ৰাঃ)। গতিকে এই বিপদ আঁতৰাবলৈ সিহঁতে হজৰত আয়শা (ৰাঃ)ৰ ওপৰত অপবাদ জাপি দিয়ে যাতে হজৰত আয়শা (ৰাঃ) ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত তিক্ত হৈ যায় আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ স্থান মুছলমান সকলৰ মাজত নিম্নগামী হয় আৰু ৰছুলুল্লাহ (ছাঃ)ৰ তিৰোধানৰ পিছত খলিফা হোৱাৰ বাট বন্ধ হৈ যায়।

ইতিহাসত উল্লেখ আছে যে মদিনাত বাস কৰা দুটা কবিলা আউচ আৰু খজৰচৰ মাজত বন্ধুত্ব সুলভ চুক্তি সম্পাদিত হৈছিল আৰু আব্দুল্লাহ বিন আবি ছলোলক মদিনাৰ বাদশ্বাহ বনোৱা হৈছিল। মদিনাৰ কিছুমান লোকে মক্কাৰ পৰা ওভতি আহি কৈছিল যে শেষ যুগৰ নবী মক্কাত আগমন কৰিছে আৰু আমি তাৰ হাতত বয়াত কৰি আহিছো। বেলেগ আন কিছুমান মানুহৰ আবেদন মৰ্মে আঁহজৰত (ছাঃ)য়ে এজন চাহাবীক মোবাল্লিগ হিচাপে মদিনালৈ পঠাই দিয়ে যাৰ ফলত মদিনাৰ বহু কেইজন লোকে ইছলাম গ্ৰহণ কৰে।

আব্দুল্লাহ বিন আবি বিন ছলোলে যেতিয়া দেখিছিল যে তেওঁৰ ৰাজ পতন ঘটি আছে তেতিয়া তেওঁ চিন্তা কৰে যে আঁহজৰত (ছাঃ)ৰ পিছত মুছলমান সকলৰ দৃষ্টি হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওপৰত যাব। এয়া ভাবি তেওঁ

সংকল্প লৈছিল যে কেনেবাকৈ তেওঁক বদনাম কৰি দিয়া যাওঁক আৰু ৰছুলুল্লাহ (ছাঃ) আৰু মুছলমান সকলৰ আগত তেওঁক দোষী সাব্যস্ত কৰা যাওঁক। আব্দুল্লাই এই সুযোগ হজৰত আয়শা (ৰাঃ)ৰ যুদ্ধ যাত্ৰীৰ পিছত ৰৈ যোৱাত পাই গৈছিল আৰু এই ঘৃণ্য অপবাদ ৰটনা কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে উফকৰ এই ঘটনা হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফতৰ সৈতে সম্পৰ্ক থকা হিচাপে বৰ্ণনা কৰি লিখিছে যে ছুৰা নুৰৰ আৰম্ভণীৰ পৰা অন্তলৈকে এটা বিষয়েই বৰ্ণনা কৰা হৈছে। প্ৰথমে হজৰত আয়শা (ৰাঃ)ৰ ওপৰত লগোৱা অপবাদ সম্পৰ্কে বৰ্ণনা কৰা হৈছে আৰু তাৰ পিছত আল্লাহ তা'লা খিলাফত সম্পৰ্কে উনুকিয়াইছে আৰু কৈছে যে খিলাফত কোনো বাদছাহত নহয় এয়া নুৰে ইলাহি প্ৰতিষ্ঠিত ৰখাৰ উপায় মাত্ৰ। গতিকে ইয়াৰ ভিত্তি আল্লাহ তা'লা নিজৰ হাতত ৰাখিছে। গতিকে সি এই নুৰ নিশ্চয় প্ৰতিষ্ঠিত ৰাখিব আৰু যাকে ইচ্ছা তাক খলিফা বনাব, বৰং সি প্ৰতিশ্ৰুতি দিছে যে মুছলমানৰ মাজত এজন নহয় বৰং অধিক লোকক খিলাফতত অধিষ্ঠিত কৰি নুৰৰ এই যুগ দীঘলীয়া কৰিব। তোমালোকে দোষাৰোপ কৰিব বিচৰা যদি তেন্তে কৰি যোৱা। না তোমালোকে খিলাফত বিনিষ্ঠ কৰিব পাৰিবা না আবু বক্কৰক খিলাফতৰ পৰা বঞ্চিত কৰিব পাৰিবা কাৰণ এই খিলাফত হ'ল এটা নুৰ, যি নুৰ আল্লাহ নিজকে প্ৰকাশ কৰাৰ এটা মাধ্যম হয়। যাক মানবে নিজৰ প্ৰচেষ্টাৰে কেনেকৈ ৰুদ্ধ কৰিব পাৰিব।

হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে আম্বিয়া (আঃ)ৰ এনেকুৱা অৱস্থা হয়েই যেতিয়া খোদা তা'লাই কোনো কাৰ্য্যৰ নিৰ্দেশ দিয়ে তেতিয়া এওঁলোকে হয়তো সেয়া এৰাই যায় নহলে সেয়া পালন কৰে। চোৱা ! উফকে আয়শা সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ)য়ে প্ৰথমে কোনো খবৰ পোৱা নাছিল। ইমানেই যে সমস্যা মূৰৰ ওপৰত আহি গৈছিল, হজৰত আয়শা (ৰাঃ) দেউতাকৰ ঘৰলৈ বুলি গৈছিল আৰু আঁহজৰত (ছাঃ)য়ে এয়াও কৈছিল যে যদি কোনো অপৰাধ কৰি পেলাইছা তেন্তে তওবা কৰি লোৱা। এই ঘটনা শুনি তেখেত (ছাঃ)য়ে মনত কিমান আঘাত পাইছিল কিন্তু এই ৰহস্য এটা সময়লৈকে আঁহজৰত (ছাঃ)ৰ ওচৰত গোপন হৈয়ে আছিল কিন্তু যেতিয়া খোদা তা'লাই নিজৰ ওহীৰ জৰিয়তে ৰহস্য ভাঙি দিয়ে আৰু কয় যে **আলখাবিছু লিলখাবিছিনা ওৱালখাবিছুনা লিলখাবিছাতি ওৱাত্তায়িবাতু লিত্তায়িবিনা ওৱাত্তায়িবুনা লিত্তায়িবাতু** তেতিয়াহে তেখেত (ছাঃ)য়ে উফকৰ মূল বৃত্তান্ত গম পায়। ইয়াৰ দ্বাৰা আঁহজৰত (ছাঃ)ৰ মৰ্যদাৰ কোনো হানি হোৱা নাছিল। সেই ব্যক্তিজনেই জালিম (অত্যাচাৰী) আৰু খোদা বিমূখ যিজনে এনে মিছা অপবাদ ৰটনা কৰে আৰু এয়া কুফুৰিলৈকে লৈ যায়। আঁহজৰত (ছাঃ) আৰু আম্বিয়া সকলে কেতিয়াও দাবী নকৰে যে তেওঁ অদৃশ্যক জানিব পাৰে। অদৃশ্যক জনাৰ গৰাকী হ'ল আল্লাহ।

হজৰত আয়শা (ৰাঃ)ৰ ওপৰত অপবাদ ৰটনা কৰা লোকৰ সংখ্যা সম্পৰ্কে বিভিন্ন ৰোৱায়েত আছে। কিছুমান ৰোৱায়েতত তিনি, দহ, পোন্দৰ আৰু চল্লিছজন বুলি উল্লেখ আছে। এই দোষাৰোপ কৰোঁতা সকলক দিয়া শাস্তি সম্পৰ্কেও বিভিন্ন ৰোৱায়েত আছে। ছুনানে আবু দাউদত উল্লেখ আছে যে তেখেত (ছাঃ)য়ে দুজন পুৰুষ আৰু এজনী মহিলাক মিছলীয়া হোৱাৰ শাস্তি প্ৰদান কৰিছিল। তাৰে পুৰুষ দুজন আছিল হজৰত হাচান বিন ছাবিত (ৰাঃ) আৰু মুছতাহা বিন আছাছা (ৰাঃ)। নাফিলিয়ে কয় যে মহিলাজনী আছিল হামনা বিনতে জাহাশ (ৰাঃ)। আন এটা টোকা এয়াও আছে যে নবী কৰিম (ছাঃ)য়ে এওঁলোকক কোনো শাস্তি প্ৰদান কৰা নাছিল। আকৌ আন এটা বৰ্ণনাত আছে যে আঁহজৰত (ছাঃ)য়ে আব্দুল্লাহ বিন আবি, মুছতাহা বিন আছাছা, হাচান বিন ছাবিত (ৰাঃ) আৰু হামনা বিনতে জাহাশ (ৰাঃ)ক ব্যাত্ৰাঘাতৰ শাস্তি দিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ছুৰাতুল নুৰৰ আয়াত নম্বৰ ৩৪ৰ তফছিৰত লিখিছে যে উক্ত অভিযোগকাৰী সকলে যিজনে যেনেকৈ কাৰ্য্য কৰিছে তেনেকৈয়ে শাস্তি পাব। এই বিবাদৰ সুত্ৰপাত কৰোঁতা অব্দুল্লাহ বিন

আবিক তাৰ গোনাহ অনুযায়ী ব্যাত্ৰাঘাতৰ আদেশ দিয়া হৈছিল আৰু তেওঁ আল্লাহ তা'লাৰ ফালৰ পৰাও শাস্তি প্ৰাপ্ত হৈছিল আৰু ৰছুলুল্লাহ (ছাঃ)ৰ জীৱদশাতেই আব্দুল্লাহ বিন আবি চুচঁৰি চুচঁৰি মৃত্যুৰৰণ কৰে।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে জাৰ্মানিৰ জলছা সম্পৰ্কে কয় যে জলছাত যোগদান কৰোঁতা সকলৰ মাজত যি সকল অ-আহমদী অতিথি আহিছিল বা যি সকলে প্ৰথম বাৰ আহিছিল, তেওঁলোকে বৰকৈ প্ৰভাৱিত হৈছে আৰু বৰ আনন্দ প্ৰকাশ কৰিছে। মিডিয়া আৰু খবৰৰ জৰিয়তে কেইবা মিলিয়ন লোকলৈ আহমদীয়তৰ বাৰ্ত্তা পৌছাই গৈছে। আল্লাহ তা'লা তেওঁলোকক নেক আৰু উত্তম ফলাফল দান কৰক। লগতে আহমদী সকলকও প্ৰকৃত লাভ আহৰণ কৰাৰ তৌফিক দান কৰক। দোৱাৰ ফালে মনোযোগ ৰাখিব। আল্লাহ তা'লা আমাক কৃপা আৰু দয়াৰ চাদৰেৰে আবৃত ৰাখক।

চুডানৰ যুদ্ধৰ কাৰণে আহমদী সকলে নিজৰ প্ৰাণ বচাঁবলৈ আৰু নিৰাপত্তাৰ কাৰণে বিভিন্ন অঞ্চললৈ ঢাপলি মেলিছে আৰু বৰ কষ্টত দিন যাপন কৰি আছে। আল্লাহ তা'লা আহমদী সকলৰ ঈমান মজবুত ৰাখক। আল্লাহ সিহঁতৰ পৰিস্থিতি অনুকুলে ৰাখক। দেশৰ বিবাদ নিষ্পত্তি কৰি দিয়ক। আল্লাহ সিহঁতৰ ওপৰত ৰহমত বৰ্ষণ কৰক। মুছলমান সকলে ভাই ভাই হোৱাৰ হ'ক আদায় কৰক আৰু ইছলামী শাসনত যি বিবাদ সৃষ্টি হৈছে সেয়া আল্লাহ তা'লা নিৰ্মূল কৰি দিয়ক। আহমদী সকলক শান্তি, নিৰাপত্তাৰ জীৱন যাপন কৰাৰ তৌফিক দান কৰক। (আমিন)

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 30 AUG 2024**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা